জনসংযোগ, অসম প্ৰেছ বাৰ্তা নং- ২০৭

# <u>চৰকাৰী যোগাযোগত তাৰিখ আৰু চন উল্লেখৰ ক্ষেত্ৰত চৰকাৰৰ নিৰ্দেশনা</u>

**গুৱাহাটী, ৩০ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে যোৱা **২৮** অক্টোবৰত এক অধিসূচনাযোগে সকলো চৰকাৰী যোগাযোগত তাৰিখ আৰু চন উল্লেখৰ ক্ষেত্ৰত কিছু নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি সকলো চৰকাৰী যোগাযোগত অসমীয়া কেলেণ্ডাৰৰ লগতে গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ অনুসৰি তাৰিখ আৰু চনৰ উল্লেখ থাকিব লাগিব। সেইদৰে বৰাক উপত্যকাত থকা কাৰ্যালয়সমূহে তেওঁলোকৰ কাৰ্যালয়ৰ পৰা কৰা চৰকাৰী যোগাযোগত বাংলা কেলেণ্ডাৰৰ লগতে গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ অনুসৰি আৰু বড়োলেণ্ড টেৰিট'ৰিয়েল এলেকাত থকা কাৰ্যালয়সমূহে চৰকাৰী যোগাযোগত বড়ো/স্থানীয় কেলেণ্ডাৰৰ লগতে গ্ৰেগ'ৰিয়ান কেলেণ্ডাৰ অনুসৰি তাৰিখ আৰু চন উল্লেখ কৰিব লাগিব।

**সু.মি.ক./প্ৰ.দ./৩০-১০-২০২১**